স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

L-14 ☐ NO-293 ☐ SUNDAY 29 DECEMBER 2024 (ডিব্ৰুগড় সংস্কৰণ/DIB



কানৈ মহাবিদ্যালয়ত মত বিনিময় অনুষ্ঠান

## কিতাপ পঢ়া মানুহৰ সাহস বেছি

### বিজ্ঞানী ড° মুকুট গোহাঁইৰ মন্তব্য

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৮ ডিচেম্বৰ ঃ 'কিতাপ পঢ়া মানুহৰ সাহস বেছি। আমি সকলোৱে পৰা কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগে।' — দক্ষিণ আফ্ৰিকাৰ পিটৰীয়াস্থিত কেমিকেল প্ৰচেছ টেকন'লজীৰ বিশিষ্ট বিজ্ঞানী তথা অসম সন্তান ড° মুকুট গোহাঁয়ে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ

১০ পৃষ্ঠাত



গুৱাহাটী গ্ৰন্থমেলাৰ বিপণীত প্ৰিয় গ্ৰন্থ বিচাৰি পঢ়ুৱৈ, শনিব

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

L-14 □ NO-293 □ SUNDAY 29 DECEMBER 2024 (ডিব্ৰুগড় সংস্কৰণ/DI

# কিতাপ পঢ়া মানুহৰ সাহস বেছি

অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰী-ছাত্ৰীৰে হোৱা মত বিনিময় অনুষ্ঠানত আজি এইদৰে কয়। ড° গোহাঁয়ে কয়— সৰু অৱস্থাত মোৰ দেউতাৰ এখন কাকত কিনি অনাৰ সামৰ্থ নাছিল। তথাপি মই মোৰ অধ্যয়ন পিপাসু মনটোক শান্ত কৰিব নোৱাৰি মোক বিদ্যালয়লৈ যাওঁতে দিয়া হাত খৰচৰ টকা সাঁচি কিতাপ, আলোচনী অথবা কাকত কিনি পঢ়িছিলোঁ। তেওঁ সৰুৰে পৰা কিতাপ, আলোচনী, বাতৰি কাকত পঢ়াৰ অভ্যাস কেনেদৰে গঢ়ি তুলিছিল সেই কথা অৱগত কৰি কয়— সৰুতে গঢ়ি তোলা অধ্যয়নৰ সেই অভ্যাসে পৰৱৰ্তী সময়ত মোক জীৱনত সফলতা লাভ কৰাত বহুখিনি সহায় কৰিছিল। মুখ্য দ্বাৰৰ পৰা এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই সভাগৃহলৈ অনা অনুষ্ঠানত তেওঁ কয়— নেৰানেপেৰাকৈ লাগি থাকিলে সকলো কামতে এদিন সফলতা লাভ কৰিব পাৰি। নেৰানেপেৰাকৈ লাগি থকা অভ্যাসে জীৱনত সফলতা লাভ কৰাত বহুখিনি সহায় কৰে। লগতে তেওঁ কয় নিয়মানুৱৰ্তীতা ধণাত্মক চিন্তা আৰু নেৰানেপেৰা প্ৰচেষ্টাই জীৱনৰ সফলতাত সহায় কৰে। অধ্যাপিকা ড° এনিশা দত্তই আঁতধৰা অনুষ্ঠানটিত ড° গোহাঁয়ে কয় — সকলোৰে প্ৰতি শ্ৰদ্ধাভাব আৰু সকলোকে মৰম, ভালপোৱাৰে আঁকোৱালি লৈ আগুৱাই গ'লে সমাজখন শক্তিশালী হোৱাৰ লগতে নিজেও জীৱনত সফলতা লাভ কৰিব পাৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি বিজ্ঞানী ড° মুকুট গোহাঁই আৰু তেওঁৰ সহধৰ্মিণী, বিজ্ঞানী তথা কানৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাক্তন ছাত্ৰী ড° সংগীতা বৰুৱা গোহাঁই মহাবিদ্যালয়খনলৈ আহি অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰী-ছাত্ৰীসকলৰ লগত মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে দুয়োগৰাকীকে ফুলাম গামোচা, চেলেং চাদৰ, সম্বৰ্ধনা-পত্ৰ আৰু অনুষ্ঠানৰ স্মৃতি বিজৰিত স্থিৰ চিত্ৰৰে উষ্ম সম্বৰ্ধনা জনায়। অনুষ্ঠানত উপস্থিত থাকি লেখক ফটিক চন্দ্ৰ নেওগে অধ্যক্ষ ড° শশীকান্ত শইকীয়াক নিজৰ দুখনকৈ কিতাপ উপহাৰ হিচাপে প্ৰদান কৰি অধ্যক্ষগৰাকীয়ে নিৰন্তৰে মহাবিদ্যালয়খনৰ লগতে সমাজলৈ আগবঢ়াই যোৱা অনবদ্য বৰঙণিৰ শলাগ লয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

লাগিব বুলি কয় নেতাগৰ
লগত জঞ্জতি লোকসকলৰ
মূল্য নিৰ্ধাৰণ কৰি ৰাখি বৰ্টে
লোকৰ ভূমিৰ ওপৰত সা
জনায়। সাংবিধানিক ভা
সকলেহে মাটি কিনা-বে
দাবী জনায়। ইয়াৰ পিছ
লগত সংগতি ৰাখি প্ৰকা
কৰে ডিগবৈ মহিলা ম
সমান্তৰালকৈ সুৰুজমুখী
দলে তামাং নৃত্য প্ৰদৰ্শন ক
অঃজাঃযুঃছাঃপঃৰ কেন্দ্ৰীয়
প্ৰদান কৰে। সভাত অভ্যৰ্থ
সভাপতি পল্লৱ শৰ্মাৰ ল
থাকে।সন্ধিয়া সাংস্কৃতিক
শদিয়াই গীত পৰিৱেশন
বিষয়বাছনি সভাক লৈ
সম্পাদক পদৰ বাবে ত

## শিৱসাগৰত

কৰে। বিদ্যালয়ৰ জ্যেষ্ঠ
প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰ
আৰু শিক্ষক-শিক্ষয়িত্ৰীসক